# জিলা উপায়ুক্তসকলৰ সন্মিলনত মুখ্যমন্ত্ৰী

দিছপুৰ,১৪ অক্তোবৰঃ ৰাজ্যখনত ধানৰ উপৰিও আলু, পিয়াঁজ, খোৰা তেল, মাহ জাতীয় শস্য আদিৰ ব্যাপক হাৰত খেতি তথা উৎপাদন বৃদ্ধি কৰাৰ ওপৰত আমি গুৰুত্ব সহকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব।

মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে আজি গুৱাহাটীৰ খানাপাৰাস্থ অসম প্ৰশাসনিক প্ৰাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত ৰাজ্যৰ জিলা উপায়ুক্ত সকলৰ সন্মিলনত ভাষণ দি এই দৰে মন্তব্য কৰে। উৎপাদন বৃদ্ধিৰ জৰিয়তে খাদ্য-শস্যৰ নাটনি দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মধ্যভোগীৰ ব্যৱস্থা আমি সম্পূৰ্ণৰূপে আঁতৰ কৰিব লাগিব। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি অন্যতম গুৰুত্বপূৰ্ণ সমস্যা বুলি মন্তব্য কৰি তেওঁ কয় যে - আমি ব্যৱসায়ী সকলক পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰিবলৈ নিদিওঁ । ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নত কৃষি খণ্ডৰ প্ৰধান ভূমিকা আছে বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে কৃষি যান্ত্ৰীকীকৰণ, জলসিঞ্চনৰ সুবিধা বৃদ্ধি, কৃষক ঋণ পত্ৰ অধিক হাৰত বিতৰণ, ব্যাপক হাৰত ৰবি শস্যৰ খেতি, কৃষকৰ প্ৰশিক্ষণ, কৃষকলৈ সময়মতে বীজ-সাৰ যোগান আদি নিশ্চিত কৰাত আমি বিশেষ প্ৰাধান্য দিব লাগিব।

বান-খহনীয়া প্ৰতিৰোধত জলসম্পদ বিভাগৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বান খহনীয়াত মাটি-বাৰী হেৰুৱাই সৰ্বস্বান্ত হোৱা সকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ উপায় উদ্ভাৱন কৰিব লাগিব।

ৰাজ্যখনৰ দুই-এঠাইত উগ্ৰপন্থীৰ সমস্যা আছে যদিও সামগ্ৰিক ভাবে ৰাজ্যখনৰ পৰিস্থিতিৰ যথেষ্ট উন্নতি ঘটিছে বুলি মুখ্য মন্ত্ৰীয়ে কয় । আইন-শৃংখলাজনিত পৰিস্থিতি মোকাবিলা কৰাৰ গুণগত কৌশল উপায়ুক্ত সকলৰ থাকিব লাগে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অনুৰূপ গুণ উন্নয়নমূলক কাম-কাজ আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো থাকিব লাগে বুলি তেওঁ কয়। মুখ্য মন্ত্ৰীয়ে গ্ৰামাঞ্চলৰ আইন-শৃংখলা ৰক্ষা আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে গ্ৰাম্য বাট-পথ-দলং নিৰ্মানেৰে গ্ৰাম্য পৰিবহন ব্যৱস্থাৰ উন্নয়ন সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই প্ৰসঙ্গত তেওঁ পি এম জি এছ ৱাইৰ অধীনত বাট-পথ নিৰ্মানত বিশেষ গুৰুত্ব দিবলৈ কয়।

এনৰেগাৰ কাম কাজ কিছুমান জিলাত সন্তোষজনক নহয় বুলি মন্তব্য কৰি মুখ্য মন্ত্ৰীয়ে আচনিখন যথোচিত ভাবে ৰূপায়ণত গুৰুত্ব দিবলৈ নিৰ্দেশ দিয়ে। একেদৰে মুখ্য মন্ত্ৰীয়ে চলিত বছৰত অধিক আত্ম সহায়ক গোট গঠন কৰিবলৈকো নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় বিকাশ যোজনাৰ আচনি খন ব্যাপক হাৰত ৰূপায়ণ কৰিবলৈ কয়। তদুপৰি তেওঁ বৃদ্ধ পেঞ্চনৰ ধন হিতাধিকাৰী সকলৰ মাজত সময়মতে বিতৰণ কৰিবলৈ কয়।

ভূমিকম্প-বান-খহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হোৱাৰ বাবে জিলা উপায়ুক্তসকলক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

ৰাজহুৱা বিতৰণ ব্যৱস্থাক ফলপ্ৰসূভাৱে কাৰ্যকৰীকৰণ আৰু এল পিজিৰ কৃত্ৰিম নাটনি দূৰিকৰণৰ দৃঢ় পদক্ষেপ লবলৈকো তেওঁ নিৰ্দেশ দিয়ে।

ৰাজ্যৰ স্বাস্থ্যখণ্ডত যথেষ্ট উন্নতি ঘটা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে গ্ৰামাঞ্চলত বিশুদ্ধ খোৱা পানীৰ যোগান আৰু অনাময় ব্যৱস্থা ব্যাপক কৰি তুলিবলৈ কয়। ইয়াৰ দ্বাৰা গ্ৰামাঞ্চলত বহু ৰোগ প্ৰতিৰোধ হ'ব বুলি তেওঁ মন্তব্য কৰে।

বিভিন্ন বিভাগত 'মেন পাৱাৰ' কম হোৱাৰ বাবে সৃষ্টি হোৱা সমস্যাৰ মোকাবিলা কৰিব পৰাকৈ বিভাগ সমূহত অস্থায়ী নিযুক্তি, পুনৰ নিযুক্তি, তদৰ্থ নিযুক্তিৰ দৰে ব্যৱস্থা লোৱা সম্পৰ্কে চিন্তা কৰা হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী কাম-কাজ বন্ধহৈ যাবলৈ দিব নোৱাৰি। 'কোৰ্ট কেচ'ৰ বাবে বিভিন্ন নিযুক্তি স্থগিত হৈ থকাৰ কথা তেওঁ এই প্ৰসঙ্গত উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে ইষ্ট-ৱেষ্ট কৰিড'ৰ, ৰেল পথকে ধৰি বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ বাবে বাকী থকা ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

গুণগত শিক্ষাৰ প্ৰসাৰৰ ওপৰত চৰকাৰে সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চাহ-বাগিছা, চৰ এলেকা, জনজাতীয় অঞ্চল আৰু অন্যান্য পিছ পৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে গুণগত শিক্ষাৰ সুবিধা লাভ কৰাতো সুনিশ্চিত কৰিবলৈ কয়।

মুখ্য মন্ত্ৰীয়ে কোন কোন জিলাৰ উপায়ুক্তই ভাল কাম কৰিছে আৰু কোন কোন জিলাৰ উপায়ুক্তই কৰা নাই তাৰ আলিকা প্ৰস্তুতত কৰিবলৈ মুখ্য সচিবক কয়। মুখ্য মন্ত্ৰীয়ে উপায়ুক্তসকলক যি কোনো আচনি ৰূপায়নত সমস্যাৰ সন্মুখীন হলে উৰ্দ্ধতন কৰ্তৃপক্ষক অবগত কৰিবলৈ কয় যাতে তেনে সমস্যা সমূহ আঁতৰ কৰাৰ উপায় উদ্ভাৱন কৰিব পাৰি।

মুখ্যমন্ত্ৰীয়ে পুৱাৰ ভাগৰ আলোচ্য বিষয় ক্ৰমে- কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতি আৰু লগতে বিভিন্ন জিলাত সম্ভব্য প্ৰাকৃতিক দুৰ্যোগ হ্ৰাসকৰণ ব্যৱস্থা তথা দুৰ্যোগ সাহায্য পুঁজিৰ আচনি ৰূপায়নৰ বিভিন্ন দিশ সম্পৰ্কে উপায়ুক্ত আৰু বিভাগীয় বিষয়াবৰ্গৰ সৈতে ভাব বিনিময় কৰে।

আৰম্ভণিতে মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ শৰ্মাই সন্মিলনৰ উদ্দেশ্য আৰু আলোচ্য বিষয় সমূহৰ ওপৰত আলোকপাত কৰি বক্তব্য ৰাখে।

সন্মিলনত মন্ত্ৰী ক্ৰমে ডা: ভূমিধৰ বৰ্মন, প্ৰমীলাৰাণী ব্ৰহ্ম, নূৰজামাল সৰকাৰ, ডা: নজৰুল ইছলাম, সংসদীয় সচিব ক্ৰমে-শৰৎ শইকীয়া আৰু অজিৎ সিং প্ৰমুখ্যে বিভিন্ন বিভাগৰ প্ৰধান সচিব, আয়ুক্তসচিব আৰু জিলা উপায়ুক্তসকল উপস্থিত থাকে।

ইঃহুঃহা/১৪-১০-০৯